জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৫৩/২০২২**

<u>মাজুলীত অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনে স্থাপন কৰিব মধ্যাহ্ন ভোজনৰ কেন্দ্ৰীয় ৰন্ধনশালা</u>

## প্ৰথম কিস্তি হিচাপে মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰিলে ৭ কোটি টকাৰ চেক

**দিছপুৰ, ২৩ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মাজুলী জিলাৰ ছাত্ৰ-ছাত্ৰীসকলক মধ্যাহ্ন ভোজন প্ৰদানৰ লক্ষ্যৰে মধ্যাহ্ন ভোজনৰ এটা অত্যাধুনিক স্বাস্থ্যসন্মত কেন্দ্ৰীয় ৰন্ধনশালা স্থাপনৰ বাবে জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ কাৰ্যালয় কক্ষত আজি অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনক প্ৰথম কিস্তি হিচাপে ৭ কোটি টকাৰ এখন চেক প্ৰদান কৰে।

উল্লেখ্য যে ৰাজ্য চৰকাৰে এই অত্যাধুনিক পাকঘৰ স্থাপনৰ বাবে সৰ্বমুঠ ১৪ কোটি টকা আগবঢ়াব। ইয়াৰ জৰিয়তে জিলাখনত মধ্যাহ্ন ভোজন আঁচনি সুচাৰুৰূপে পৰিচালনা কৰাত সহায়ক হৈ উঠিব।

চৰকাৰী আৰু চৰকাৰী সাহায্য প্ৰাপ্ত বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলক মধ্যাহ্ন ভোজন আঁচনিৰ অধীনত পুষ্টিকৰ খাদ্য যোগান ধৰাৰ বাবে অক্ষয় পাত্ৰ ফাউণ্ডেশ্যন নামৰ স্বেচ্ছাসেৱী অনুষ্ঠানটোৱে কাম কৰি আহিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই যোৰহাট জিলাৰ ১৫৭ খন বিদ্যালয়ক প্ৰাথমিক পৰ্যায়ত ১২ হাজাৰ ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজন উপলব্ধ কৰাৰ বাবে অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনৰ ১৪ কোটি টকা ব্যয় সাপেক্ষে ৬৫ সংখ্যক ৰন্ধনশালাৰ শুভ উদ্বোধন কৰিছিল। পৰৱৰ্তী পৰ্যায়ত এই জিলাখনত ৩০ হাজাৰ জন ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজনেৰে সামৰি লোৱাৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে।

আজিৰ এই চেক প্ৰদান অনুষ্ঠানৰ সময়ত লোকনিৰ্মাণ (পথ) বিভাগৰ বিশেষ আয়ুক্ত সচিব ৰাজেশ কেম্প্ৰাই, মাজুলী জিলাৰ উপায়ুক্ত পুলক মহন্ত, অক্ষয় পাত্ৰ ফাউণ্ডেশ্যন আৰু হৰেকৃষ্ণ ম'ভমেণ্টৰ উপাধ্যক্ষ বিজয়  পণ্ডিত দাসা, অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনৰ সদস্য তথা হৰেকৃষ্ণ ম'ভমেণ্টৰ ফুল টাইম মিছনেৰী মহাসুন্দৰ দাসা উপস্থিত থাকে।

**বীঃগঃ / হেঃশঃ / পুঃডেঃ**
**২৩/০৮/২০২২**